মণিকূট গৈ পোৱাৰে আগত
সমূলে নিপাত কৰ;
আপোনাৰ ঘৰ
ৰাখিবলে' তই
কালৰ মূৰ্ত্তি ধৰ;
কঠোৰ প্ৰতিজ্ঞা কৰ
অস্ত্ৰ-শস্ত্ৰ ধৰ
ক্ষেত্ৰে ক্ষেত্ৰে ৰণসাজ পিন্ধি
নিজৰ কৰ্ত্তব্য কৰ।

ৰাখিব লাগিব অসমীয়া ভাষা
কৰিব লাগিব আশা
জিনিব লাগিব বিদ্ৰূপ-বাণী
শত্ৰুৰ ব্যঙ্গ-হাঁহি।

অসমৰ যত পণ্ডিত
তয়ে
কৰিব লাগিব খণ্ডিত
জিনিব লাগিব তৰ্কযুদ্ধ
কৰিব লাগিব জগত মুগ্ধ;
শত্ৰুৰ মিথ্যাচাৰ—
যদিহে নোৱাৰ কৰিব খৰ্ব্ব
মিছা তোৰ জ্ঞান-গৰ্ব্ব।

বজাব লাগিব বিশ্ব-বাঁহীৰ
সুৰ্ণশিৰীয়া মাত,
ভাষাৰ যুদ্ধ জিনাব লাগিব
অসমীৰ নাম জ্বলাব লাগিব
পৃথিবীখনৰে জ্ঞানী সভাত।

তয়ো অসমীয়া কবি
উদয়াচলৰে ৰবি
ৰণৰ ভ্ৰেষণি-হ্ৰেষণি শুণি
বীণা জানো হ'ল চুপ?
ধৰহি বিশ্বৰূপ।
কৰ তই মহাধ্বনি প্ৰণৱ-ওঙ্কাৰ
ধ্বনিত ৰণিত কৰ শান্তিৰ ঝঙ্কাৰ
আলোক নমাই আন
গা মহাগান,
পৃথিৱী ব্যাপি যাওক
পোহৰৰ বাটে বাটে
ভেদি যাওক সপ্ত বিমান।
সুন্দৰসেৱী দল
অথলে নাযায়
তোৰ ফুল-জল
তোৰ পূজাভাগ নহ'ব বিফল,
আহ্বান কৰ
তোৰ কোষালৈ
সকলো তীৰ্থৰ জল।
গন্ধ-পুষ্প যত উপচাৰ
তাৰে স'তে ঢাল ভকতি হিয়াৰ
ৰঙাজবা দে তোৰ কলিজাৰ
শত জীৱনৰ শত শত সম্ভাৰ।
সুন্দৰৰ পাবি দিব্য বৰ
জয় হ'ব অসমৰ
জয় হ'ব পোহৰৰ যুদ্ধ
জনগণ জগজন মুগ্ধ।

যুঁজিব লাগিব
জিনিব লাগিব
কুসুম-বনৰ ৰণ
মুহিব লাগিব বিশ্ববাসীৰ মন,
তোৰ প্ৰতিভাৰে পাতিব লাগিব
সুশোভিত উপবন,
গঢ়িব লাগিব
জগত জুৰনি
আলোকবৰণী কলা-ভৱন।
বাণীৰ সেৱক
শুন অ' তৰুণ!
তয়ে ভাৰতৰ নবীন অৰুণ।
তয়েই নতুন জ্যোতি,
আলোক-শঙ্খ তয়ে ফুকাবি
আনিব লাগিব মাতি।
জ্বলাব লাগিব প্ৰাগজ্যোতিষত
পুনৰ আলোক বাতি,
অসমীৰ নাম ৰাখিব লাগিব
পূৰ্ব্বভাৰতী পাতি।
জ্ঞান-বিজ্ঞানৰ
কলা-সাহিত্যৰ
সুৰ-সঙ্গীতৰ ধল,
বোৱাব লাগিব
ভাৰত ঢৌৱাই
ভাৰ-লুইতৰ জল।
তোৰ মুকুলিত হওক বিশ্বপ্ৰসাৰী মন
নৱ আলোকেৰে

ধূৱাব লাগিব
নোৱাব লাগিব
অসমী আইৰে
ৰঙা-চৰণ।

আগবাঢ়, আগবাঢ় নৱ অনিৰুদ্ধ
কৰ আশা শুদ্ধ,
জিনি আছ,
জিনি যাবি জীৱন-যুদ্ধ।

অসমীয়া যুঁজাৰুৰ
জয়যাত্ৰীৰূপা
সুন্দৰসেৱীবো তয়ে
জ্যোতিৰূপা
ওলা, ওলা অসমীয়া ৰমণী
তয়ে হ'বি জগতৰ দেৱী গোসাঁনী।

বজা, বজা
কামৰূপী বীণা
ভাৰতকো, জগতকো জিনা
সঞ্চাৰি সুৰ-ৰাগ ত্ৰিভুবন মোহিনী
জ্বলি উঠ
জ্বলি উঠ
প্ৰেৰণাৰূপিনী।

অসমৰ অঙ্গন
মুখৰিত কৰি বাজে
গোসাঁনীৰ চৰণৰ উৎকট ঘৰ্ষণ
ছন্দ-স্ফুলিঙ্গৰ বিস্ফোৰণ বৰ্ষণ।

খোজে খোজে
ৰক্তকৰবী উঠি ফুলি

আকাশ-পৃথিবী ঢাকি
উৰে ছাঁ,
জ্বলন্ত আঙনিবোৰ
কতবোৰ জুই বালি-ধূলি
জনমৰ-মৰণৰ আজি কোলাকুলি।

নিতম্ব ভঙ্গত জগত সশঙ্ক
আনি দিয়ে প্ৰাণলৈ মহা আতঙ্ক
নগ্ননৃত্য নাচে সৃষ্টি-গোঁসানীয়ে
প্ৰকট-বিকট বিশ্বৰূপ,

লুইতৰ দুয়োপাৰে
সৌন্দৰ্য্য, কদৰ্য্য মথি
জ্বলে নৱ আলোকৰ
বিচিত্ৰ ধূপ
গোসাঁনীয়ে দেখুৱাই দিব্যৰূপ।

সেই ৰূপ দেখি তই
দিব্যাঞ্জন লৈ
ক্লীবতা এৰি থৈ
ধৰ ধনুৰ্ব্বাণ,
হ'বি তই অৰ্জ্জুন সমান।

কল্পে কল্পে তই
উত্থান-পতন জিনি
যিটি সনাতন জ্যোতি
ৰাখিলি জ্বলাই;
তাৰে বাতৰি তই
বজ্ৰ-নিৰ্ঘোষে গাই
জগতক থাক অ' শুনাই।

পুৱাল, পুৱাল তোৰ
ঘন-ঘোৰ অমানিশা সুদীৰ্ঘ ৰাত্রি
আগবাঢ়, আগবাঢ় আলোক-যাত্রী।
সোণৰ সবিতা সৌ
উজ্জ্বল সমুজ্জ্বল
নৱ-জীৱনৰ নামে
সুৱৰ্ণ সুযোগ,
অগ্নি-আৰতি গা,
অসমীয়া ঘৰে ঘৰে
মছজিদে-মন্দিৰে
অভ্যুদয়িলে জ্যোতিৰ্যুগ।

কলিকতা
২১-৭-৪৩

# পোহৰৰ গান

আজি জাগ্ৰত ভাৰত
পোহৰৰ গানে গানে
জাগে জনতাৰ মহাপ্ৰাণ,
যুগ যুগ সঞ্চিত
স্বাধীনতাহীনৰ
জাগে জ্বালাময়ী অভিমান।
আজি যত ত্যাগীৰ
প্ৰদীপ্ত কপালৰ
অৰুণাৱলীয়ে হাঁহি
দলিতৰ ঘৰ পোহৰায়,
মহাপোহৰৰ বাটে
মোহন গান্ধী গ'ল
পৃথিবীকে বাট দেখুৱায়।
বামধেনু বাটেৰে কোন যাবি, কোন যাবি
হ আগুৱান—
জ্বলন্ত স্ফুটন্ত এই জ্যোতি-প্ৰপাতৰ
আলোক-ছন্দত ঝঙ্কৃত
বিশ্বৰ নৱতম সুৰ-লয়-তান
গা, গা, গা আজি ভাৰতৰ ঘৰে ঘৰে পোহৰৰ গান।

---

# চিৰবিদ্ৰোহী (১)

উষাৰ কোলাত গৈ
উচুপি বিনায়
পোহৰতে মাৰ যায়
জানো জানো তাৰ
গানো বিফলে নাযায়।

ৰূপান্তৰৰ মই
যুগান্তৰৰ মই
ভাৰতৰ
জগতৰ
বিদ্ৰোহী-বীৰ্য্য
বিপ্লৱে বিপ্লৱে
বিজুলী-বজ্ৰ হানি
সুঘোষিত কৰি যাওঁ অগ্নি-তূৰ্য্য।

কালান্তৰৰ যি
ৰূপান্তৰৰ যি
যুগমীয়া সত্য
সিয়েহে গুপ্ত অনিত্য
সেই ব্যাপ্ত বিজুলীৰে
গঢ়ি লওঁ আগ্নেয় অস্ত্ৰ;

অম্বৰ ফালি-চিৰি
দিগম্বৰ
যোগী মই
যুগে যুগে

পিন্ধো মাথোঁ উপযোগী
নৱ নৱ যুগ-বস্ত্ৰ।
মহাকালে নাচে যি
সৃষ্টি-স্থিতি-প্ৰলয়ৰ
মধু মৃদু শান্ত প্ৰশান্ত
উৎকট তাণ্ডৱ ভঙ্গ,
সেই কাল-বাজনাৰ
প্ৰধান ময়েই ওজা
পৰিতাল ব্ৰহ্মতাল
ৰুদ্ৰতাল
তাল ৰূপ গন্ধ
দ্ৰুত বিলম্বিত লয়ে
মাৰণ উচ্ছাটন
মন্ত্ৰ ফুকাৰি ময়ে
বাই যাওঁ বিশ্ব-মৃদঙ্গ।
আবৰ্ত্তন
বিবৰ্ত্তন সংবৰ্ত্তন
পৰিবৰ্ত্তনৰ
ময়ে
দ্ৰুতগামী
কাল ৰথচক্ৰ,
পেষিত
নিষ্পেষিত
কৰি আগবাঢ়ি যাওঁ
আলোকৰ বাটে বাটে
সুসংযত
গতিৰে অবক্ৰ।

নৱ নৱ প্ৰপঞ্চৰ
সনাতন ইচ্ছা মই
শুভেচ্ছাৰ পোহৰেৰে
জগত জ্বলাওঁ,

হুতাশনৰূপে মই
পুৰণি খাণ্ডৱ দহি
নৱ নৱ
সৃষ্টিৰ
পাতনি পেলাওঁ।

ফুলতো কুমলীয়া
শিলতো কঠোৰ মোৰ
তপ্ত হৃদযন্ত্ৰ,

ৰূপান্তৰেহে মাথোঁ
জগত ধুনীয়া কৰে
এয়ে মোৰ
গায়ত্ৰী-মন্ত্ৰ।

চিৰ উদাসীন মই
সংসাৰৰ ঘৰে ঘৰে
থাকোঁ হে
সকলোতে মত্ত,

কালৰ মন্ত্ৰ শুনি
নিমিষতে
ভাঙি-ফালি
মোহ-মায়া ব্যূহ
হুহুঙ্কাৰে নাচোঁ মই
উলঙ্গ উন্মত্ত।

আগ্নেয়গিৰি ফুটি
জলন্ত জ্বালাময়
অগ্নিবৃষ্টিৰূপে পৰোঁ
জগতত ;
ৰজাৰ কাৰেং উৰে
ভিকহুৰো ঘৰ পোৰে
লেলিহান জুই জ্বলে
মোৰ এই অগ্নি-নৃত্যত
অৰ্ব্বুদ নিযুত প্ৰাণী
জহি জহি
যায় গচকত
মোৰ দলদোপ খচকত।
অখণ্ড যাত্ৰা সোঁত
শাশ্বত অগ্নি-প্ৰদীপ মূৰ্ত্তিমান
চিৰকল্যাণ।
মোৰ তাপ-উমৰেই
জীৱনৰ হাঁহিটি ফুলাওঁ
পোহৰেৰে বাট দেখুৱাওঁ।
নৱ সৃষ্টিৰ বাবে পুৰণিক দেই-পুৰি যাওঁ
অতীতক আঁতৰাই ভৱিষ্যক গঢ়োঁ।
ময়ে মহাশক্তিমান,
অনাদি অনন্ত ব্যাপি
ময়েই মাত্ৰ আছোঁ
চিৰবৰ্ত্তমান।

২-৬-৪৩ }
কলিকতা }

# জনতাৰ আহ্বান

হে মোৰ আলোক-পূজাৰী প্ৰাণ!
আজি সুন্দৰৰ পূজা-থাপনাত
যাচিবি কিহৰে ষোড়শোপচাৰ,
গাবি কি ৰাগ, কি সুৰেৰেনো
পুৱা-সন্ধিয়াৰ গান?
আজি পৃথিবীৰ আকাশে আকাশে
জনতাৰ আহ্বান।
আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোকলৈ উঠি আহে
বেলিমূৱা হৈ হাঁহে।
মাটিৰ-পানীৰ বিদাৰি বক্ষ
জননী গৰ্ভৰ আন্ধাৰ কক্ষ
ওলাল এৰিবলৈ
পোহৰত পাহি মেলিবলৈ
আকাশত সৌন্দৰ্য্য সিঁচিবলৈ
বতাহত ৰেণু বিলাবলৈ
মানুহৰ এই পৃথিবীখনত
শান্তি-সুৰভি বিয়পাই দি
বিশ্বৰ এই সৌন্দৰ্য্য-সৃষ্টিৰ
মহান মেলাত

অভিনৱ এক জীৱনৰ ৰূপ,
পুষ্পিত কৰি তুলিবলে'
আজি মানৱৰ জনজীৱনৰ
সংহত অভ্যুত্থান;
দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
বিকশিত হৈ আহিছে সেই
জীৱনৰ মহাপ্ৰবাহে প্ৰবাহে
জনতাৰ মহাপ্ৰাণ।
আজি জনতাৰ আলোকবিজয়ী
অপূৰ্ব্ব অভিযান
আজি পৃথিবীৰ আকাশে আকাশে
জনতাৰ আহ্বান,
নৱজীৱনৰ মহাসংঘাতে কঁপায় বৰ্ত্তমান।
আজি সাৰ্থক হ'ক বেদত ধ্বনিত হোৱা
আলোকৰ আগমনী মন্ত্ৰ
প্ৰবুদ্ধ জনতা জয়......জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় জয় জয় জয়—আলোক-মন্ত্ৰপূত
মহামানৱতন্ত্ৰ
জয় জনতন্ত্ৰ
জয় স্বতন্ত্ৰ
জয় স্বতন্ত্ৰ

# সাৱধান, সাৱধান

সুবিধাবাদীৰ দল!
তোৰ মিছা হ'ব কৌশল,
ৰাইজৰ তই সেৱা চুৰ কৰি
বঢ়াব খুজিছ বল।
শিল্পীৰ তই সৰল মনৰ
শিল্পীৰ তই অমল প্ৰাণৰ
বিমল গানৰ
কি বুজিবি, কিয় ওলায়
নিৰ্ম্মল অশ্ৰুজল?

জনতাক ভড়া ছল-চাতুৰীৰ
আলাসতে গজা কোৱাভাতুৰীৰ
স্বৰূপ ওলাই গ'ল,
তই হাতে হাতে পাবি ফল
হেৰ' খকুৱাৰ দল!

তই জনা নাই—
তই যাক ভাব
মূৰ্খ জনতা
মূঢ় জনতা
ৰূঢ় জনতা বুলি
যাৰ হ'ব খোজ স্বয়ংসিদ্ধ নেতা
সেই জনতা আজি প্ৰবুদ্ধ হ'ল।

কৌপিনধাৰী মহাফকিৰৰ
সঞ্জীৱনৰ
উদ্বোধনৰ
বোধন মন্ত্ৰ
নাই যোৱা অ'
নাই যোৱা অ'
এনেয়ে বিফল।
ঘৃণিত তোৰ অহঙ্কাৰৰ নেতৃত্বাভিমান
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান, সাৱধান।
শত শতাব্দীৰ
আন্ধাৰ আঁতৰি যায়,
আজি জনতাই
অৰুণ আলোক পাই
অগ্ৰগতিৰে মৰীমূৰ কৰি
অত্যাচাৰীৰ দল
নিজৰ মনৰ নিজেই গৰাকী হ'ল।
মহাজনতাই
মহাশক্তিৰ মহাসন্ধান পাই
বুকুত বান্ধিলে
চক্ৰবৰ্ত্তী শত সম্ৰাটৰ
বিশ্ববিয়পা নৱ অৰ্জ্জুনৰ
পৃথিৱীৰ এই প্ৰদক্ষিণৰ
স্বপ্ৰণোদিত
আত্মনিহিত বল।
হেৰ' স্বাৰ্থ-ক্ষমতা-অৰ্থলুভীয়া অন্ধ!
মই জানো তই জনসেৱকৰ মুখা পিন্ধ,

যি ত্যাগ কৰিলে তিনিগুণ লাভ পাব
আগচুৱাৰেদি তাকে তই
পাছ দুৱাৰেদি গৈ
মদে-ভাতে ভোজ খাব।

ৰাষ্টনীতিৰ
সমাজনীতিৰ
ৰাজনীতিৰ
অৰ্থনীতিৰ তোৰ
থৈ দে ফোপোলা জ্ঞান,
জনতা-পূজাৰ ভাও দি, ভাও দি
নেদেখুৱাবি
ঘৃণিত তোৰ অহঙ্কাৰৰ নেতৃত্বাভিমান,
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান, সাৱধান।

তাম্বোলবাৰী চাহবাগিছা
অসমীয়া ১০ অক্টোবৰ ১৯৪৮

## "মহাশূদ্ৰ"

হাঃ হাঃ হাঃ হাঃ হাঃ!
বিশ্বজুৰি বিয়পিছে
অট্টহাঁহি,
মহাদেশে, মহাদেশে
বাজে বজ্ৰবাঁহী।
হাঁহিৰ বাঁহীৰ প্ৰালয়িকী ছন্দই
ফুলাই তুলিছে
নতুন সৃষ্টিৰ ভূমিকম্প।
মহা উন্মত্ত আস্ফালনেৰে
দুৰ্নিবাৰ আঘাতেৰে
সংঘাতেৰে
ভাঙি-ছিঙি চূৰ্ণ-বিচূৰ্ণ কৰি
অতীতৰ সংস্কৃতিৰ ভ্ৰান্তিময়ী
সপোন-প্ৰকাশ
মাটিৰ দিঠক মহাশূদ্ৰ
নৱতম ৰুদ্ৰ হৈ
বজ্ৰঘোষে মহামানৱৰ
এক নৱতম পূৰ্ণ বিকাশ।
কোটি কোটি চকুপানী-টোপালৰ
ওৰণি লৈ,
যি সত্যই
মুক্তিৰ বাবে

প্ৰকাশৰ সিংহদ্বাৰ
বিচাৰি বিচাৰি,

বিশ্ব জুৰি—কালে কালে
ফুৰিছিল অনাইবনাই,
মহামনীষাৰ মহামহত্বৰ
মনৰ ছুৱাৰেদি
যি মুক্তি পাই
শত নিৰ্য্যাতন-নিপীড়ন জিনি
আজি যি
ঘোষিলে মহাৰণ
বধিবলে' তাৰ প্ৰপীড়ক
কংসৰায়—

শুভ্ৰ হীৰাৰ দৰে জ্যোতিৰ্ম্ময়
তাৰ হিয়াখনি
জ্বলে তাত নতুন সৃষ্টিৰ
আগেয়ে নেদেখা ছবি,
জাগে তাত—নতুন সংস্কৃতিৰ
সুকুমাৰ ৰবি।

হীৰাৰ দৰেই কিন্তু
অতিকে কঠোৰ
সেইখনি হিয়া—
নৃশংসতাৰে যি মানুহক
গচকি-খচকি
শুহি শুহি খাই
অসুৰৰ স্বৰ্গ ৰ'চি প্ৰমোদৰ
কাৰেঙত থাকি

মৰীমূৰ কৰি পৃথিৱীৰ ন্যায় (পৃথিৱীৰ)
নিৰ্ব্বিকাৰে টোপনি যায়;
সিহঁতৰ বাবে নাই, নাই, নাই
কোনো অনুকম্পা নাই,
সেই জ্যোতিৰ্ম্ময়-বজ্ৰকঠোৰ
অন্তৰত—নাই, নাই, নাই
কোনো অনুকম্পা নাই।

---

# ন-যোৱান-ই-হিন্দ

ন-যোৱান-ই-হিন্দ
মই ভাৰত ন যোৱান,
জগাওঁ পৃথিৱী
জগালোঁ হিন্দুস্থান ;
ন-যোৱান-ই-হিন্দ
মই ভাৰত ন-যোৱান।
আজি মোৰ নতুন প্ৰকাশ
জীৱনৰ নতুন বিকাশ
প্ৰাণৰ প্ৰাণত জ্বলে
অভিনৱ অগ্নি
বিশ্বহোমাগ্নি,
অঙ্গে অঙ্গে মোৰ
মৰ্ম্ম শিহৰি
সঞ্জীৱনৰ উল্লাস
আপোনাত আজি মোৰ মহাবিশ্বাস।
কল্পনাত নৱসূৰ্য্যোদয়
আন্ধাৰক কৰিম বিজয়
যুগান্ত ব্যৰ্থতাৰ
সাৰ্থকতা কৰি ময়ে
আনি দিম জগতলে পোহৰৰ জয়।
নতুন জনম লভি
নবীন জীৱন মোৰ
নৱপ্ৰভাতৰ আলোকে আলোকে, লোকালোকে